দেশ

চৰকাৰী ভূমিত স্থায়ী মছজিদ ‘ধর্মনিৰপেক্ষ চৰিত্ৰৰ পৰিপন্থী’, শতিকা পুৰণি মছজিদ আঁতৰোৱাৰ পৰিকল্পনা কেন্দ্ৰৰ

কেন্দ্ৰীয় ভিষ্টা প্ৰকল্পৰ বাবে কৃষি ভৱন চৌহদত থকা শতিকা পুৰণি কদিমি মছজিদ আঁতৰোৱাৰ পৰিকল্পনা কৰিছে কেন্দ্ৰীয় চৰকাৰে।

প্ৰকাশ: ৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৭



(Social media)

তুন দিল্লী, ৩ নৱেম্বৰ: দিল্লীৰ কৃষি ভৱন চৌহদত থকা শতিকা পুৰণি কদিমি মছজিদ আঁতৰোৱাৰ পৰিকল্পনা কৰিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় ভিষ্টা পুনর্নির্মাণ প্ৰকল্পৰ বাবে কৃষি ভৱন আৰু শাস্ত্ৰী ভৱন ভাঙি নতুন চৰকাৰী ভৱন নির্মাণৰ পৰিকল্পনা কৰা হৈছে। এই প্ৰকল্পৰ বাবে মছজিদটো আঁতৰাব লাগিব বুলি দিল্লী উচ্চ ন্যায়ালয়ক জনাইছে কেন্দ্ৰই।

কেন্দ্ৰীয় চৰকাৰে আদালতত যুক্তি দিছে যে কৃষি ভৱন আৰু কেন্দ্ৰীয় সচিবালয় চৰকাৰী প্ৰশাসনিক কাম-কাজৰ বাবে নির্ধাৰিত ধর্মনিৰপেক্ষ স্থান। সেয়েহে চৰকাৰী কার্যালয়ৰ চৌহদত স্থায়ী ধর্মীয় উপাসনাস্থলী ৰখাটো চৰকাৰী সম্পত্তিৰ ধর্মনিৰপেক্ষ চৰিত্ৰৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়।

সোমবাৰে শুনানিৰ সময়ত দিল্লী উচ্চ ন্যায়ালয়ে কেন্দ্ৰক প্ৰশ্ন কৰে—চৰকাৰী চৌহদত ধর্মীয় উপাসনাস্থলী ৰখাত বাধা দিয়া কোনো নির্দিষ্ট নিয়ম আছে নেকি? ন্যায়াধীশ অনীশ দয়ালে বিকল্প উপাসনাস্থলী প্ৰদানৰ ক্ষেত্ৰত

চৰকাৰৰ নীতি-নিয়মৰ বিষয়েও জানিব বিচাৰে।

আদালতে কয়, চৰকাৰী চৌহদত কোনো ধর্মীয় সম্প্রদায়ৰ বাবে প্রার্থনাৰ স্থান ৰখাত নিষেধাজ্ঞা থকা বুলি চৰকাৰে দাবী কৰিলে, তাৰ সমর্থনত নির্দিষ্ট নিয়ম থাকিব লাগিব। অৱশ্যে এয়া আদালতৰ পর্যবেক্ষণহে, মছজিদ আঁতৰোৱাৰ চূড়ান্ত নির্দেশ নহয়।

কদিমি মছজিদ পৰিচালনা সমিতিয়ে ছেপ্টেম্বৰ মাহত মছজিদটো ভাঙি পেলোৱাৰ আশংকা প্রকাশ কৰি আদালতৰ কাষ চাপিছিল। সমিতিয়ে কেন্দ্রীয় লোকনির্মাণ বিভাগ (CPWD) আৰু নতুন দিল্লী পৌৰ পৰিষদক (NDMC) মছজিদটো ভাঙিবলৈ বা আঁতৰাবলৈ বাধা দিবলৈ আবেদন জনাইছে। বর্তমানৰ স্থানত মছজিদটো ৰখা সম্ভৱ নহ'লে ওচৰতে পর্যাপ্ত বিকল্প উপাসনাস্থলী প্রদানৰো দাবী জনাইছে সমিতিয়ে।

সমিতিৰ মতে, স্বাধীনতাৰ পাছৰ পৰাই কৃষি ভৱন আৰু ওচৰৰ কেন্দ্রীয় চৰকাৰী কার্যালয়সমূহৰ কর্মচাৰীয়ে এই মছজিদত নামাজ আদায় কৰি আহিছে। ১৯৪০ চনৰ এক চুক্তিৰ জৰিয়তে প্রশাসনে জামা মছজিদ পৰিচালনা সমিতিক এই স্থান মছজিদ হিচাপে ব্যৱহাৰৰ অনুমতি দিছিল।

আনহাতে, কেন্দ্রীয় চৰকাৰে আদালতক জনাইছে যে ইণ্ডিয়া গেটৰ ওচৰত থকা শ্বাহী মছজিদ জবতা গঞ্জ কৃষি ভৱনৰ পৰা প্রায় দুই কিলোমিটাৰ দূৰত অৱস্থিত। সেয়েহে নামাজ আদায়ৰ বাবে ওচৰতে আন এটা মছজিদ উপলব্ধ বুলি চৰকাৰে যুক্তি দিছে।

কেন্দ্রৰ বক্তব্যৰ উত্তৰ দিবলৈ মছজিদ পৰিচালনা সমিতিক সময় দিছে আদালতে। গোচৰটোৰ পৰৱর্তী শুনানি ২৩ নৱেম্বৰত অনুষ্ঠিত হ'ব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/552/centre-seeks-qadeemi-masjid-removal-krishi-bhawan